সুধাকণ্ঠই বিশেষ কিছুমান কাৰণত কলিকতাৰ অস্থায়ী আৱাসত জীৱনৰ শেষ সময়লৈকে জীৱন পাত কৰিছিল। বেজবৰুৱাই ওড়িশাৰ সম্বলপুৰত মহানদীৰ পাৰত 'সাধনাগৃহ' নামেৰে বাসস্থান সাজি লৈছিল। তাতে তেওঁ প্ৰায় বিশ বছৰ কটাইছিল। এনে কথাবোৰৰ অৱশ্যে আলোচনাৰ দৃষ্টিভংগী বেলেগ হোৱা স্বাভাৱিক। কিন্তু জুবিনৰ কথা মনলৈ আনিলে অনুভৱ হ'ব...



## জগত জিনা শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণ

# মৃত্যুৰ কাৰণ বিচাৰি ক্ষুব্ধ জনতা

কুশল কুমাৰ দাস

জ্যোতিপ্ৰসাদে কৈছিল— শিল্পী তিনিও কালৰ, অতীতৰ বৰ্তমানৰ...; অসমৰ বুকুত এতিয়ালৈ যিমানবোৰ মহান আত্মাই অসমীয়া জাতিক মহিমামণ্ডিত কৰি গৈছিল, তাৰ ভিতৰত জুবিন সকলোতকৈ ব্যতিক্ৰম শিল্পীসত্তা। নিজৰ স্থানত থাকি সাহসেৰে মৰণত শৰণ দি ৰজাঘৰ প্ৰজাঘৰৰ সকলো প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ ভয় নকৰা একক অনন্য শিল্পীসত্তা জুবিন গাৰ্গ। ব্যক্তিত্বত দ্বিত্ব বিশেষত্ব (dual characteristics) নথকা, পেটত এটা মুখত এটা কথা নথকা একমাত্ৰ যুগনায়ক হৈছে জুবিন। বেয়াক লুক-ঢাক নকৰাকৈ অকপটে সকলো কথা কোৱা শিশুমতি বালক কৃষ্ণৰ দৰে ব্যক্তিত্ব, কিন্তু নিঃস্বাৰ্থ দয়াৱান ভালক ভাল বুলি ক'বলৈ কাৰো সহায় নোলোৱা একমাত্ৰ একক আৰু অনন্য শিল্পীসত্তা। কাৰণ শংকৰদেৱেও ৰজাঘৰৰ দ্বাৰা নিগ্ৰহ হোৱাৰ ভয়ত জীৱনৰ শেষ বয়সলৈকে ইঠাইৰ পৰা সিঠাইলৈ স্থান সলনি কৰি জীৱনৰ অন্তিম সময় কোচবিহাৰত কটাব লগীয়া হৈছিল। বিষ্ণু ৰাভাৰ ক্ষেত্ৰতো কমখন হোৱা নাছিলনে? সুধাকণ্ঠই বিশেষ কিছুমান কাৰণত কলিকতাৰ অস্থায়ী আৱাসত জীৱনৰ শেষ সময়লৈকে জীৱন পাত কৰিছিল। বেজবৰুৱাই ওড়িশাৰ সম্বলপুৰত মহানদীৰ পাৰত 'সাধনাগৃহ' নামেৰে বাসস্থান সাজি লৈছিল। তাতে তেওঁ প্ৰায় বিশ বছৰ কটাইছিল। এনে কথাবোৰৰ অৱশ্যে আলোচনাৰ দৃষ্টিভংগী বেলেগ হোৱা স্বাভাৱিক। কিন্তু জুবিনৰ কথা মনলৈ আনিলে অনুভৱ হ'ব কি দুৰন্ত সাহসৰ যোদ্ধা শিল্পী আছিল তেওঁ। আঁদ্ৰে মৰোৱা'ৰ 'এৰিয়েল'ত থকা বিখ্যাত ৰোমাণ্টিক কবি পি বি শ্বেলীৰ জীৱনৰ কিছু সাদৃশ্য দেখিবলৈ পাওঁ। শ্বেলীৰ দৰে জুবিনৰ জীৱনটো তথাকথিত শৃংখলাবিহীন কিন্তু 'মন যায় মোৰ' আদৰ্শৰ স্বাধীনচিতীয়া জুবিন সত্তাই য'তেই হাত দিছিল তাতেই সৃষ্টি অমৃত নিগৰি ওলাইছিল। গানেৰে, কথাৰে সমুখ সমৰত যুদ্ধংদেহী মনোভাবেৰে 'ঘেণ্টা' মই কাকো ভয় নকৰোঁ বুলি পৰ্দাৰ আঁৰত লুকাই থকা বেয়া মানুহ বুলি ধাৰণা কৰাসকলৰ কথাবোৰক মুকলিকৈ ৰাইজৰ আগত ব্যক্ত কৰিবলৈ তিলমানো পিছ হুঁহকি থকা নাছিল। প্ৰথম অৱস্থাত গান আছিল তেওঁ সংগ্ৰামী পৃষ্ঠভূমি, লাহে লাহে গানৰ লগতে কথাছবিকো তেওঁ সংগ্ৰামী পৃষ্ঠভূমি হিচাপে ব্যৱহাৰ কৰিবলৈ ধৰে। য'তেই সাধাৰণ জনতাৰ অন্যায় হোৱাৰ উমান পায়; তাতেই জুবিনৰ অনুভৱ আৰু খেয়ালী স্বভাৱৰ প্ৰতিবাদৰ ভাষা শুনিবলৈ জনতা উদ্‌গ্ৰীৱ হৈ থাকে। অসমৰ প্ৰতিটো সংকটৰ সময়ত জুবিন সদায় আগত। জুবিনে এৰি অহা দিনবোৰৰ পাতে পাতে তেওঁৰ নিৰ্ভীক কথাৰ সৰল অভিব্যক্তি দাঙি ধৰিছে। জুবিনৰ অনুপস্থিতিত বিজ্ঞসকলে পশ্চাদ অৱলোকনৰ জৰিয়তে সাহসী ভূমিকাবোৰ অধ্যয়ন কৰিবলৈ বাধ্য হৈছে। আনকি জুবিনৰ বিষয়ে বেয়া ধাৰণা আৰু তাৎক্ষণিক প্ৰতিক্ৰিয়া ব্যক্ত কৰাসকলেও পুনৰ পৰীক্ষা- নিৰীক্ষাত জুবিনৰ কথাবোৰ পৰীক্ষাগাৰত অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিছে। জুবিন কোন আছিল? শিশুসুলভ অভিব্যক্তিবোৰতে জুবিন-দৰ্শন লুকাই আছে। যি সাহসৰ মজ্জাগত উপলব্ধি নিৰন্তৰ নিৰ্দ্বিধাই কৈ গৈছিল। এবাৰ অসম সাহিত্য সভাই তেওঁক দিয়া উপহাৰৰ টোপলা খুলি চাই দেখিলে যে ভিতৰত কিতাপৰ সলনি কিছুমান প্ৰসাধন সামগ্ৰীহে আছিল। ক্ষোভত জ্বলিপুৰি এখন সাংস্কৃতিক অনুষ্ঠানত ৰাইজৰ আগত সাহিত্য সভাৰ চৰিত্ৰ উদঙাই দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সেই সময়ৰ সভাপতিৰ নাম উচ্চাৰণ কৰি ৰাজহুৱাকৈ তিৰস্কাৰ কৰিবলৈ এৰা নাছিল। ধিং এক্সপ্ৰেছ হীমা দাস আৰক্ষীৰ চাকৰী গ্ৰহণ কৰাৰ পৰা বিৰত থাকিবলৈ কৈছিল এইবাবে যে এতিয়া ভোগেশ্বৰ বৰুৱাৰ পাছতে সম্ভাৱনাপূৰ্ণ খেলুৱৈ, ইয়াৰ বাবে কঠোৰ অনুশীলনৰ প্ৰয়োজন, সকলো সহায়ৰ বাবে আমি আছোঁ বুলি সাহস দিয়া জুবিন গাৰ্গ, দৰকাৰ হ'লে বিশ্বমানৰ খেলুৱৈ হ'বলৈ গৰুৰ মাংস খোৱাৰ কথাও জুবিন গাৰ্গে বিনাদ্বিধাই কৈছিল। ইয়াৰ মাজতে জুবিনৰ কথা আৰু কামৰ মাজত চুলিৰ মানো পাৰ্থক্য নাছিল। জুবিনে উল্লেখ কৰিছে, 'মোৰ কোনো জাতি নাই, ধৰ্ম নাই, ভগৱান নাই, মই মুক্ত...।' এই তাৎপৰ্যপূৰ্ণ উক্তিৰ নিশ্চয় গৱেষণা হ'ব। একৈশ শতিকাৰ মানুহে ধৰ্মৰ পাছত দৌৰি ফুৰা দৰকাৰ নে কৰ্মৰ পাছত ঘূৰি ফুৰা দৰকাৰ? 'প্ৰভু ঈশ্বৰ' বিতৰ্কবোৰ নতুনকৈ ফঁহিয়াই চালে সেইবোৰত বিশুদ্ধ সত্য নিহিত হৈ যে আছে, তাতো জুবিন দৰ্শন ওলাই পৰিব। কাকো খাতিৰ নকৰোঁ, ভয় নকৰোঁ, ঘেণ্টা, আল-বাল আদি ভাষাৰ সাধাৰণিকৰণৰ মাজেৰে সহজে বুজি পোৱাকৈ নিজৰ বৈপ্লৱিক সত্তা ৰাইজৰ আগত দাঙি ধৰা মাজেৰে জীৱন দৰ্শনৰ নতুন তত্ব থকা যেনহে লাগে। সাধাৰণ জনতাই হৈছে জুবিনৰ আত্মা, সেয়ে তেওঁ নিজ আত্মাক জগাই তোলা মানে ৰাইজক সজাগ কৰি ৰখা ভূমিকাত কোনো কৃপণালি নকৰে। সেয়ে ক'ব পাৰি জনতাই জুবিন আৰু জুবিনে হৈছে জনতাৰ হিয়াৰ আমঠু। ইজনৰ পাছত আন বহুতো সহশিল্পীৰ সৃষ্টি কৰি সমগ্ৰ জনতাকে শিল্পী সত্তালৈ ৰূপান্তৰিত কৰা জুবিনৰ শিল্পী সত্তা জনতাৰ বুকুত তেজে তেজে উপলব্ধ হয়। জনতাৰ বুকুত তেওঁ সাঁতুৰি-নাদুৰি বিলাই দিছিল সকলো প্ৰাপ্তি। শিশুৰ পৰা পৌঢ়জনৰ হৃদয়তো জুবিনৰ অস্তিত্ব সুলভ। নুনমাটিৰ বিহু মঞ্চত হোৱা জুবিন কেন্দ্ৰিক পৰিঘটনা ৰাইজে হয়তো পাহৰিছে। 'ইয়া আলি...' গীত গোৱাৰ পাছতে মঞ্চত জুবিনক হিন্দী গীত গাবলৈ মানা কৰিছিল। মঞ্চত বিহুৰ বিষয়ববীয়াই হিন্দী গীত নাগাবলৈ জনতাৰ সন্মুখতে শিল্পীজনক বাধা দিয়া কথাটো সঠিক বুলি ক'ব নোৱাৰি। এয়া এজন জনপ্ৰিয় শিল্পীক মাতি আনি মঞ্চত ৰাজহুৱা অপমান কৰাৰ দৰে আৰু জুবিনে নিজৰ খেয়ালী মনেৰে অনুষ্ঠান বৰ্জন কৰি মঞ্চতে কৈছিল, 'মই এওঁলোকক বেয়া পাওঁ, বাট, আপোনালোকক ভাল পাওঁ।' ৰাইজক ভাল পোৱা শিল্পীজনে 'ঘেণ্টা মই কাকো কেয়াৰ নকৰোঁ'ৰ মহত্ত্বৰ মাজত আছে ব্যক্তিৰ উৰ্দ্ধত ৰাইজক মনে-প্ৰাণে ভাল পোৱাৰ অভিব্যক্তি আৰু স্বাধীন মনৰ অভিমান তেওঁৰ ৰন্ধ্ৰে ৰন্ধ্ৰে শিপাই আছিল। এনে এগৰাকী জগত জিনা শিল্পীৰ চৌপাশে নিজৰ স্বাৰ্থৰ প্ৰতি লালায়িত হৈ সংগোপনে তেজ শুহি খোৱাৰ লক্ষ্যৰে লগত থাকিল মহ, মাখি আৰু ডাঁহ। যিয়ে কেৱল শিল্পীজনৰ তেজহে শুহি খায়, তেজাল কৰি তোলাৰ বাবে কোনো প্ৰতিপালন নকৰে। প্ৰিয় জনতাৰ ওচৰ চাপিব নিদিয়ে, দূৰত্ব বজাই ৰখাত তেজপিয়াই ৰং সলোৱাৰ দৰে তাহাতৰ আচল স্বৰূপ লুকাই ৰাখে। জুবিনৰ জীৱনৰ বিভিন্ন সন্ধিক্ষণত এই সকলে কেবল তেজপিয়াৰ দৰে আচৰণ কৰে। সৰলতাৰ সুযোগ জুবিনৰ ছায়াধাৰীসকলে জুবিনক এটা উদ্যোগলৈ ৰূপান্তৰ কৰাত লাগি পৰিল। ধনৰ লোভত য'তে-ত'তে তদাৰকী ছদ্মবেশধাৰীয়ে ব্যৱহাৰ কৰিবলৈ ধৰে। তেওঁৰ লগত থকা সাংগোপাংগক বিশ্বাসত লোৱাটোৱে জুবিনৰ বাবে ডাঙৰ দুৰ্বলতা। কাৰণ জুবিনৰ মনত বিশ্বাস আৰু সততাই অনৱৰত ক্ৰিয়া কৰি থাকে। তেওঁৰ সাংগোপাংগক একান্ত বিশ্বাসৰ বাবে সকলো এৰি দিছিল কাৰণ তেওঁৰ সততা আছিল নিখুঁত, নিৰ্বিকাৰ। মানুহ হৈ মানৱতাৰ পক্ষত থাকিবলৈ সকলো পৰম্পৰাগত বান্ধোন খুলি পেলাইছিল। উদাৰ মানৱতাবাদে জুবিনক ধৰ্মীয় চাৰিবেৰৰ পৰা মুক্ত হোৱাৰ প্ৰেৰণা যোগাইছিল। সেয়ে তেওঁৰ শৰীৰৰ লগুণ পৰ্যন্ত খুলি ঘোষণা কৰিছিল মই মুক্ত। তেওঁ গৃহবাসী যদিও সংসাৰৰ মায়াৰ পৰা সম্পূৰ্ণৰূপে মুক্ত আছিল। সেয়ে তেওঁ বাৰে বাৰে এটা কথা বৰকৈ কৈছিল, 'মই ডোমেষ্টিক নহয়।' সঁচাই, 'গৃহতে থাকিয়া দেখিলোঁ তয়ু চৰণ...' তেওঁৰ প্ৰাৰ্থনা গীত হৈ পৰা 'মায়াবিনী ৰাতিৰ বুকুত, দেখা পালোঁ তোমাৰ ছবি, ধৰা দিলা গোপনে আহি হিয়াৰ কোণত, তুমিয়ে মোৰ শুকান মনত, নিয়ৰৰে চেঁচা টোপাল, নামি অহা ৰ'দৰে নৈ, মোৰ দেহত প্ৰতি পুৱা...।' জুবিন গীতৰ এই 'তুমি' গভীৰ অৰ্থপূৰ্ণ আৰু ব্যঞ্জনাপূৰ্ণ। যিয়ে যেনেকৈ 'তুমি'ৰ অৰ্থ লয় সেয়াই সাৰ্থক অৰ্থ মনত সংস্থাপিত কৰিব পাৰে। সেই 'তুমি' জুবিনৰ প্ৰেৰণাৰ উৎস। যাৰ অনুপ্ৰেৰণাত সৃষ্টি হোৱা আজিৰ জুবিনক আমি পাইছোঁ। জুবিন এনে আদৰ্শৰেই হৈ লক্ষ লক্ষ জুবিন প্ৰেমীক অনুপ্ৰাণিত কৰিছিল। তেওঁৰ মৃত্যু হ'ল নে হত্যা কৰা হ'ল? এই প্ৰশ্নৰ উত্তৰ যেতিয়ালৈ নোলাব তেতিয়ালৈ জুবিন প্ৰেমী জনতা ক্ষান্ত নহ'ব সেয়া নিশ্চিত। সকলোৰে জুবিন আছিল অন্তৰৰ আৱেগ, যি আৱেগৰ জুইত বিলিন হৈ আছিল জুবিনৰ সৃষ্টিসমূহ। আজি তেনে এজন শিল্পীক হেৰুৱাই দেশৰ জনতা দিশহাৰা হৈ পৰিছে। যিটো গীতৰ কথা মৃত্যুৰ আগতে তেওঁ মৰিলে চিতাৰ কাষত গাবলৈ কৈ গৈছিল, সেই গীতে আজি প্ৰাৰ্থনা গীত হৈ পৰিল। এনে এগৰাকী জনতাৰ শিল্পীৰ দুৰ্ঘটনাজনিত মৃত্যুৰ কাৰণ বিচাৰি সৰ্বস্তৰতে দাবী উত্থাপন হৈছে। এয়া নিতান্তই স্বাভাৱিক। এই মৃত্যুৰ বাবে নিশ্চিতভাৱে লগত থকা মহ, মাখি, ডাঁহ প্ৰধানভাৱে জগৰীয়া। তেওঁলোকে অতদিনে জুবিনৰ তেজ শুহি শুহি খাই থকাৰ পাছত জুবিনক মৃত্যুৰ শীতল কোলাত শুৱাই দিয়াৰ বাবে যিবোৰ কাণ্ড কৰিছিল, সেই দৃশ্যবোৰ দেখিলে জনতা জাগ্ৰত নোহোৱাৰ কোনো প্ৰশ্নই নুঠে। এজন শিল্পীক এনেদৰে মৃত্যুৰ মুখলৈ ঠেলি দিয়াসকল কোনোপধ্যে দোষমুক্ত হ'ব নোৱাৰে। সেই পাষণ্ডসকলে তেওঁলোকৰ অৱহেলাৰ স্বীকাৰোক্তি জনতাৰ আগত দিবই লাগিব। তেওঁলোকে যদি একো ভুলে কৰা নাছিল, তেনেহ'লে জনতাৰ আগত কিয় মুকলিভাৱে ওলোৱাৰ সাহস কৰিব পৰা নাই? তেওঁলোকৰ ভুলৰ বাবে যদি মৃত্যু হোৱা নাছিল তেনেহ'লে মৰণত শৰণ দি হ'লেও ওলাই অহাৰ সাহস কিয় নাছিল? জনতাৰ ৰোষৰ বলি হ'বলৈ কিয় ভয়? এই পৰিস্থিতি অধিক বেয়ালৈ নোযোৱাৰ বাবে সাহসেৰে ওলাই আহি ঘটনাৰ সবিশেষ বিবৰি কওক। জুবিনৰ ত্যাগ, মহানতা আৰু মানৱতাৰ বাবে অসমৰ ইতিহাসত জুবিন-যুগ স্মৰণীয় হৈ সোণালী আখৰেৰে লিখা থাকিব।

ফ'ন ঃ ৯১০১১২২৬৩৮